بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ৮ নভেম্বৰত মছজিদ বায়তুল ফতুহ মৌৰডন বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে ছুৰাতুল বাকাৰাৰ নিম্ন লিখিত আয়াত "লাইছ্যা আলায়কা হুদহুম ওয়ালা কিন্না লাহা ইয়াহদি মাইয়াশা ওয়া মা তুনফিকুনা মিন খাইৰিন ফালি আনফুছিকুম ওয়া মা তুনফিকুনা ইল্লাবত্তিগাআ ওয়াজ হিল্লাহি ওয়া তুনফিক মিন খায়ৰিও ওৱাফফা ইলায়কুম ওয়া আনতুম লা তুজলামুন"।

উক্ত আয়াতৰ তৰজমা এনেদৰে সিহঁতৰ সজ-বাট প্ৰদৰ্শনৰ ভাৰ তোমাৰ ওপৰত নাই বৰং আল্লাহ যাক ইচ্ছা কৰে তাক সজ বাট প্ৰদৰ্শন কৰে ; আৰু তোমালোকে সৎ বস্তু যি ব্যায় কৰা সেয়া তোমালোকৰ মঙ্গলৰ নিমিত্তেহে ; যদিহে তোমালোকে সজ বস্তুৰ পৰা যি ব্যায় কৰা, সেয়া সম্পূৰ্ণই তোমালোকৰ প্ৰতি প্ৰত্যাবৰ্ত্তন কৰা হব আৰু তোমালোকৰ প্ৰতি অন্যায়ো নহব।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে এই আয়াতে স্পষ্ট নিৰ্দেশনা দিয়ে যে আমি কোনোবাজনক সজ বাট দেখুৱাব পাৰো কিন্তু এয়া জৰুৰী নহয় যে আমি তাক এই বাটলৈ ঠেলি পঠিয়াৰ লাগিব। এই কামৰ দায়িত্ব আল্লাহ তায়ালা নিজৰ ওপৰত লৈ লৈছে আৰু যিজনে আল্লাহ তায়ালাৰ সান্নিধ্যলৈ আগবাঢ়ি যাবলৈ চেষ্টা কৰে আৰু দোৱা কৰে, তেতিয়া তেওঁ আল্লাহৰ কৃপাত লক্ষ্যস্থলত গৈ উপনীত হব পাৰে। গতিকে ইয়াৰ বাবে আমি হিদায়েতৰ আল্লাহৰ ওচৰত দোৱা কৰিব লাগিব আৰু কৃপা ভিক্ষা কৰিব লাগিব যাতে ইয়াৰ ফল কল্যাণকৰ হয়।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে আল্লাহ তায়ালা এই আয়াতৰ আকৌ কৈছে যে তুমি সজ উপাৰ্জনৰ ধনৰ পৰা যিয়েই খৰচ কৰা সেয়া তোমালোকৰ নিমিত্তে কৰা। আল্লাহৰ বাটত সজ মনোভাৱ লৈ পবিত্ৰ ধন মালৰ যি খৰচ কৰিবা, সেয়া হাজাৰ গুন বেছিকৈ ঘুৰাই লাভ কৰিবা। আহমদী সকলে ইয়াৰ বহুতো উদাহৰণ লিখি পঠিয়াই য়ে কেনেদৰে তেওঁলোকে আল্লাহৰ বাটত কুৰবাণী কৰিছে আৰু আৰু কেনেদৰে সিহঁতক বঢ়াই ছৰাই প্ৰদান কৰিছে। আল্লাহ তায়ালা কৈছে যে মই ঋণ নাৰাখো। তোমালোকে মোৰ মন যোগ আকৰ্ষনৰ বাবে নিজৰ পবিত্ৰ ধনমাল মোৰ দ্বীনৰ নিমিত্তে মোৰ নিৰ্দেশ অনুযায়ী খৰচ কৰিলে মই সেয়া ওভতাই দিম। চৰ্ত হল এযা যে সেই ধন পবিত্ৰ হব লাগিব। হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে আল্লাহ তায়ালাৰ কৃপা লাভ কৰোঁতা আৰু আল্লাহৰ এই কথাৰ ওপৰত বিশ্বাস ৰাখোতাঁ হাজাৰও লাখও আহমদী আছে। তাৰে কিছুমানৰ উদাহৰণ মই ইয়াত উল্লেখ কৰিম। এনেকুৱা কুৰবাণীৰ দৃষ্টান্ত আমি হজৰত মছিহ মাওউদ আঃৰ দিনৰ পৰাই দেখিবলৈ পাইছো।

ছেৰালিউনৰ এজন মোবাল্লিগ চাহাবে লিখিছে যে লাও নছুৰেজিনৰ এজন নমোবাইন কমাৰা চাহাবক যেতিয়া তেহেৰিকে জাদিদৰ বিষয়ে জনোৱা হৈছিল আৰু চান্দাৰ বৰকাত সম্পৰ্কে বুজোৱা হৈছিল তেতিয়া সেই নমোবাইন জনে চান্দা আম আৰু তেহেৰিকে জাদিদ আদায় দিছিল। তেওঁৰ ওচৰত ঘৰৰ বজাৰ খৰচৰ বাবে অলপ টকা আছিল।কিন্তু তেওঁ সেই টকাখিনিও তেহেৰিকে জাদিদৰ চান্দা হিচাপে দি দিছিল। কয় যে কিছুদিনৰ পিছত সেই মানুহ জনে আকৌ আহি কৈছিল যে যিদিনা মই এই তেহেৰিকে জাদিদৰ চান্দা দিছিলো, তাৰ পিছদিনা কোম্পানীয়ে জনাইছিল যে আমি তোমাৰ ডিপাৰ্টমেণ্ট সলনি কৰি দিছো আৰু নতুন ডিপাৰ্টমেণ্টত তোমাৰ দৰমহা দুগুণ হৈ গৈছে। ইয়াৰ উপৰিও আৰু লাভা লাভ আছে। কয় যে যি বৰকতৰ কথাই শুনিছিলো আৰু আল্লাহ তায়ালা সেই বৰকতৰ কিৰণ মোক দেখোৱাইছে। তেওঁ আৰু কয় যে ভৱিষ্যতত মই প্ৰত্যেক মাহত চান্দা আমৰ লগত তেহেৰিকৰ চান্দাও দি থাকিম।

আকৌ ছেৰালিউনৰ ৰিজন পোৰ্ট লুকুৰ মোবাল্লিগ চাহাবে কয় যে এখন গাৱঁৰ এজন আহমদী মহম্মদ চাহাবে তেহেৰিকে জাদিদৰ বাজেটত যিখিনি চান্দাৰ নিৰিখ লিখুৱাইছিল সেয়া আদায় দিব নোৱাৰিছিল। যেতিয়া বছৰ শেষ হৈ আহিছিল তেতিয়া তেওঁ কৈছিল যে মোৰ ওচৰত কেইকাপ মান চাউলৰ বাহিৰে আন একোৱে নাই। তেওঁ সেই চাউল বিক্ৰী কৰিছিল আৰু নিজৰ কথা অনুযায়ী চান্দা আদায় দিছিল। তেওঁ কয় যে ইয়াৰ পিছদিনাখন মোৰ এজন দূৰ সম্পৰ্কীয় আত্মীয়ই এবস্তা চাউল আৰু

অলপ টকা মৌলৈ পঠিয়াই দিছিল। তেতিয়াৰে পৰা মোৰ ঈমান বৰ দৃঢ় হৈ পৰিছে যে মই কেৱল কেই কাপ চাউল আল্লাহৰ বাটত খৰচ কৰিছিলো, আল্লাহ তায়ালা তাৰ পৰিবৰ্তে মোক এশ কিলো চাউল দান কৰিছে, লগতে টকাও দিছে।

বৃটেইনৰ এজনী মহিলায় কৈছে যে মই তেহেৰিকে জাদিদৰ চান্দা আদায় দিছিলো। ইয়াৰ পিছত স্থানীয় সদৰ চাহিবায় খবৰ দিছিল যে আমি আমাৰ টাৰ্গেট পুৰা কৰিবলৈ আৰু বেছি টকাৰ প্ৰয়োজন হৈছে। তেতিয়া মোৰ ওচৰত যিখিনি টকা জমা আছিল সেয়া মই চান্দা হিচাপে আদায় দিছিলো। তাৰ পিছদিনাখন মই মোৰ বেংক একাউণ্ট চেক কৰি চাই আচৰিত হৈছিলো যে যিমান টকা মই বেছি চান্দা দিছিলো তাতকৈ চাৰিগুন টকা, বেংকৰ ফালৰ পৰা একাউণ্টত জমা হৈছে। এই টকা সম্পৰ্কে মোৰ অলপো ধাৰণা নাছিল।

বৰকিনা ফাছোৰ আমিৰ চাহাবে লিখিছে যে কুলুৰ ছাওৱাডু চাহাবে প্ৰত্যেক মাহত এশ ফ্ৰাংক তেহেৰিকে জাদিদৰ চান্দা দিছিল। এবাৰ এজনে তেওঁক তিনিটা ছাগলী উপহাৰ দিছিল। তেওঁ সেই ছাগলীৰ পৰা এটা ছাগলী তেহেৰিকে জাদিদত দি দিছিল বাকী দুটা নিজৰ ওচৰত ৰাখিছিল। আল্লাহ তায়ালা তেওঁৰ ছাগলীৰ মাজত ইমান বৰকত দিছিল যে কিছুদিনতে তেওঁ কেইবাটাওঁ ছাগলীৰ মালিক হৈ গৈছিল আৰু এশ ফ্ৰাংকৰ ঠাইত হাজাৰ ফ্ৰাংক প্ৰতি মাহে তেহেৰিকে জাদিদৰ চান্দা দিবলৈ আৰম্ভ কৰিছে।

ভাৰতৰ পৰা কৰ্ণাটিক ৰাজ্যৰ তেহেৰিকে জাদিদৰ ইন্সপেক্টৰ চাহাবে লিখিছে যে গোলবৰ্গাৰ এজন খাদিম, যিজনে বাঙ্গালৰু কোম্পানীত বিছ হাজাৰ টকাত দৰমহাত চাকৰি কৰিছিল। কয় যে তেওঁৰ ঘৰৰ অৱস্থা সিমান তনকীয়াল নোহোৱা সত্ত্বেও, তেওঁ হজৰত মুছলেহ মাওউদ (ৰাঃ)ৰ বৰ্ণিত উচ্চ মানৰ কুৰবাণীৰ হিচাপত তাৰ আদা দৰমহা চান্দা দিয়াৰ সিদ্ধান্ত লৈছিল আৰু দহহেজাৰ টকা মাহিলি লিখি দিয়ে। তেওঁৰ আত্মীয়সকলে তেওঁক কৈছিল যে তুমি এতিয়া মাত্ৰ নতুন চাকৰিটো পাইছা, ইমান টকা বাজেট লিখি দিব নালাগিছিল। তোমাৰ সমস্যা হৈ পৰিব। তেতিয়া তেওঁ কৈছিল যে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যেতিয়ালৈকে মানুহে পুৰ্ণ চেষ্টা নকৰে খোদা তায়ালাৰ ফিৰিস্তায় তাত আক্ৰমনাত্মক শক্তিৰ জন্ম নিদিয়ে। গতিকে এই উদ্দেশ্য মই এই চান্দা দিব লাগিব। লগতে আৰু কয় যে এই ঘটনাৰ কিছুদিন পিছতেই মানুহজনে বেলেগ এটা কোম্পানীত চাকৰি লাভ কৰে, যত তেওঁ আল্লাহৰ কৃপাত এক লাখ সাতাইছ হাজাৰ টকা দৰমহা পাই আছে। তেওঁ কয় যে এয়া সকলো এক মাত্ৰ চান্দাৰ বৰকতত হৈছে।

কেৰেলাৰ তেহেৰিকে জাদিদৰ ইন্সপেক্টৰ চাহাবে লিখিছে যে কেৰেলাৰ এজন মুখলিচ (একনিষ্ঠ) আহমদী, যিজনে তেহেৰিকে জাদিদৰ মাল কোৰবানী কৰোঁতা সকলৰ মাজত এজন উচ্চ পৰ্যায়ৰ লোক আছিল। তেওঁ পোন্ধৰ লাখ টকা বাজেট লিখি দিছিল। কিন্তু চলিত বছৰত উক্ত বাজেটৰ বিপৰীতে মাত্ৰ দুই লাখ টকা আদায় দিব পাৰিছিল। সময় বহুত কম আছিল সেয়ে তেওঁ বৰ সমস্যাত পৰি গৈছিল যে কেনেকৈ এই চান্দা আদায় দিব পাৰিব, সেয়ে তেওঁ মৌলৈ চিঠি লিখিছিল। বছৰৰ শেষ দিনা মৌলৈ চিঠি লিখিছিল যে আজি শেষ দিন, দোৱা কৰিব আল্লাহ তায়ালা যেন কৃপাৰে এই পূৰ্ণ কৰাৰ তৌফিক দান কৰে। কয় যে কেই ঘণ্টামান যাওঁতে নাযাওঁতেই এটা মোটা টকা তেওঁৰ একাউণ্টত সোমাই যায়। যাৰ পৰা তেওঁ কেৱল নিজৰ বাজেটৰ চান্দাই নহয় বৰং এটা ডাঙৰ অংকৰ টকা বেছিকৈ আদায় দিয়ে।

আকৌ বেনিনৰ ৰিজন নাকিৰ এজন মোৱাল্লিগ চাহাবে লিখিছে যে কিতম পুতি জমাতৰ এজন বন্ধুক যেতিয়া তেহেৰিকে জাদিদৰ চান্দা সম্পৰ্কে কোৱা হয়, লগে লগে তেওঁ কোনো দ্বিধা নকৰি তিনি হাজাৰ ফ্ৰাংক ছফিয়া উলিয়াই দিয়ে। মোৱাল্লিম চাহাবে কয় যে মই তেতিয়া বৰ আচৰিত হৈছিলো যে ইমান খিনি মুদ্ৰা তেওঁ চান্দা হিচাপে দিয়াৰ কাৰণ কি ! তেতিয়া সেই লোকজনে কৈছিল যে মই বৰ চান্দা দিয়াত বৰ এলেহুৱা, যাৰ ফলত সমস্যা বাঢ়ি গৈ আছে আৰু ফচল আদি কম হৈ গৈ আছে। যোৱা বাৰ মই এয়া ভাৰি লৈ চান্দা দিছিলো যে চাওঁ এইবাৰ মই চান্দাৰ বৰকতত কিমানখিনি লাভ বান হওঁ। গতিকে মই পিছত দেখিছিলো যে চান্দাৰ বৰকতত খোদা তায়ালা সচাঁকৈয়ে গোপনে গোপনে সহায় কৰি মোৰ চাহিদা পূৰণ কৰিছে।

মাস্কোৰ এজন মোবাল্লিগ চাহাবে লিখিছে যে আজি কালি আল্লাহ তায়ালা সকলো ঠাইতেই মানুহক তেওংলোকে দিয়া কুৰবাণীৰ ফলাফল দেখুৱাই আছে। উজবে কিস্থানৰ এজন বন্ধু জায়েৰ চাহাবক কিছুদিন আগত তেহেৰিকে জাদিদৰ চান্দা সম্পৰ্কে কোৱাৰ লগে লগে তেওঁৰ কৈছিল যে এতিয়া মই গাড়ী চলাওঁ আৰু পত্নীয়ে চিলাই মেচিনত কাম কৰে। আমি দুয়ো এয়া ভাৰিছোঁ যে আমি আমাৰ উপাৰ্জন সমুহ তিনি ভাগ কৰি একভাগ লৰা ছোৱালীৰ বাবে আৰু একভাগ ঘৰখন চলোৱাৰ

বাবে আৰু এভাগ চান্দা হিচাপে আল্লাহৰ বাটত খৰচ কৰিম। এনেদৰে দুয়ো পতি পত্নীয়ে চান্দা দি আছে। আৰু সুখেৰে জীৱণ যাপন কৰি আছে। জায়েৰ চাহাবে কয় যে যেতিয়াৰ পৰা তেওঁলোকে উপাৰ্জনৰ পৰা চান্দাৰ অংশ কাটি ৰাখিবলৈ লৈছে আল্লাহ তায়ালা তেওঁলোকৰ উপাৰ্জনত বিশেষ বৰকত দান কৰি আছে, যি আগত কেতিয়াও হোৱা নাছিল।

জাৰ্মানী জমাতৰ এজনী মহিলায় লিখিছে যে যেতিয়া দুমহীযা অন্তঃসত্তা আছিলো,তেতিয়া মই বৰ দোৱা কৰিছিলো আৰু নিয়ত কৰিছিলো যে মই প্ৰত্যেক মাহত এশ ইউৰোকৈ তেহেৰিকে জাদিদৰ চান্দা দিম। বাকী সাতোটা মাহ আল্লাহ তায়ালা এনেদৰেই দান কৰাৰ সক্ষমতা দিছিল আৰু সকলো চিন্তা দুৰ হৈ গৈছিল। অৱশেষত আল্লাহ তায়ালা মোক পুত্ৰ সন্তান দান কৰিছে। তাই আৰু কয় যে এতিয়াও মই আল্লাহ তায়ালাৰ সতে দিয়া প্ৰতিশ্ৰুতি অনুযায়ী মাহেই তেহেৰিকে জাদিদত চান্দা আদায় দি আছো।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে বিশ্বৰ এই অংশ জাগতিকতাৰ মোহত আবদ্ধ হৈ পৰিছে আৰু খোদা তায়ালাৰ পৰা আতঁৰি গৈ আছে যদিও আল্লাহ তায়ালা আহমদী সকলক নিজৰ কৃপা যাচিঁ নিজ সত্ত্বাৰ পৰিচয় দি আছে আৰু আহমদীয়তৰ সত্যতা প্ৰকাশ কৰি আছে।

ইয়াৰ পিছত ইণ্ডোনেছিয়াৰ আমিৰ চাহাবে লিখিছে যে এজন নমোবাইনক যেতিয়া এই তেহেৰিকে জাদিদৰ চান্দাৰ বিষয়ে জনোৱা হয় তেতিয়া লোকজনে পাচঁ লাখ ইণ্ডোৰুপি চান্দা দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে আৰু এই টকা ৰমজান মাহত আদায় দিয়ে। তেওঁ কৈছে যে এদিন তেওঁৰ আত্মীয় এজনে লিফাফা এখনত অলপ টকা এখনত তেওঁক উপহাৰ দিয়ে, যি টকা খিনি তেওঁ লগে লগে চান্দা হিচাপে আগবঢ়াই দিযে , যত এই পাচঁ লাখ ইণ্ডোৰুপি আছিল।

আকৌ লৰা ছোৱালীৰ সকলৰ মাজত চান্দাৰ যি গুৰুত্ব আছে সেই জাগৰণও হজৰত মছিহ মাওউদ (আঃ)ৰ জমাতত দেখিবলৈ পোৱা যায়। ঘানাৰ এজন মোবাল্লিগ চাহাবে লিখিছে যে এজন (তিফল) সৰু লৰা যাৰ বয়স প্ৰায় ন-দহ বছৰ হব, অলপ টকা আনি  তেহেৰিকে জাদিদৰ চান্দা হিচাপে আগবঢ়াই দিয়ে। তেওঁক প্ৰশ্ন কৰাত উত্তৰ দিয়ে যে মই মাক-দেউতাৰ পৰা চান্দাৰ বাবে টকা বিচাৰিছিলো, কিন্তু কিবা কাৰণত মই সেয়া পোৱা নাছিলো। সেয়ে মই এটা দোকানত গৈ শ্ৰমিক হিচাপে কাম কৰিবলৈ লৈছিলো। তাৰে পৰা মই যি পৰিশ্ৰমিক পাইছো সেয়া সেয়া চান্দা হিচাপে দি আছো।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে আল্লাহ তায়ালা এওঁলোকৰ ধন -মাল আৰু ইমানত অফুৰন্ত বৰকত দান কৰক। এনেদৰে ইয়াৰে লৰা ছোৱালীৰ মাজত কুৰবানীৰ স্পৃহাত কম নহয় ,পৰিশ্ৰম কৰি, হাবিত খৰি কাটি, ইত্যাদিৰে চান্দা আদায় দিয়ে। ইয়াৰ অৱস্থা বৰ ভাল। নিশ্চয় ইয়াতে বৰ উত্তম আদৰ্শ ৰৈ আছে। কিছুমান লৰা -ছোৱালীয়ে নিজৰ পকেট খৰচৰ টকা চান্দা হিচাপে আগবঢ়াই দিছে। যিয়েই নহওঁক নিজৰ নিজৰ পৰিবেশ হিচাপে প্ৰত্যেক ঠাইতেই নিষ্ঠা আৰু আনুগত্যৰ দৃষ্টান্ত দেখিবলৈ পোৱা যায়। আল্লাহ তায়ালা এওঁলোকৰ একাগ্ৰতা আৰু আনুগত্য বঢ়াই তোলক।

এতিয়া মই কিছুমান কোয়ায়েফ (কোৰবানীৰ মানৰ নিৰিখ) আপোনালোকলৈ আগবঢ়াম। আল্লাহ তায়ালা হজৰত মছিহ মাওউদ আঃৰ জমাতক কুৰবানী কৰাৰ যি তৌফিক দান কৰিছে আৰু যিদৰে এওঁলোক কুৰবানী কৰে, এয়া আল্লাহ তায়ালাৰ সহায় অবিহনে সম্ভৱ নহয় আৰু আল্লাহ তায়ালায় এই সক্ষমতা আহমদী সকলৰ হৃদয়ত ঢালি দিয়ে আৰু এইবোৰেই হজৰত মছিহ মাওউদ আঃৰ সত্যতাৰ জলন্ত প্ৰমান।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে আল্লাহৰ ফজলত ৩১ অক্টোবৰ দিনা তেহেৰিকে জাদিদৰ ৮৫ তম বছৰৰ অন্ত পৰিছে। আনফালে ৮৬ তম বছৰৰ শুভাৰম্ভ হৈছে। যোৱা বছৰটোত তেহেৰিকে জাদিদৰ মালি নিজামত ১৩.৬ মিলিয়ন পাওণ্ডৰ কুৰবানী কৰাৰ তৌফিক মিলিছে। এই আদায়কৃত সংখ্যা যোৱা বছৰতকৈ আল্লাহৰ কৃপাত ৪ লাখ দুহেজাৰ পাউণ্ড বেছি হৈছে। পাচঁজনৰ ফালৰ পৰা এইবাৰ জাৰ্মানী প্ৰথম স্থান অধিকাৰ কৰিছে। দ্বিতীয় স্থানত আছে পাকিস্থান। তৃতীয় স্থানত আছে বৃটেইন কাৰণ আগতে পাকিস্থানত বাদ দি লোৱা হৈছিল। সেয়ে পাকিস্থানক বাদ দি ধৰিলে বৃটেইন থাকে। গতিকে দহটা দেশৰ শ্ৰমিক এনেদৰে ধৰা হৈছে- প্ৰথমে জাৰ্মানী আকৌ পাকিস্থানৰ পিছত আছে বৃটেইনত, আমেৰিকা কানাডা, ভাৰত, মিডলইষ্টৰ এটা জামাত,ইণ্ডোনেছিয়া, অষ্টেলিয়া,ঘানা, ইয়াৰ পিছত আছে মিডলইষ্টৰ আন এটা দেশ।

আল্লাহৰ কৃপাত অৱস্থা বেয়া হোৱাৰ বাবে পাকিস্থানৰ ওপৰিও বিশ্বৰ প্ৰত্যেক ঠাইতেই সামাজিক আয়-উপাৰ্জনৰ অৱস্থা বেয়া হৈছে। স্থানীয় মুদ্ৰা বৃদ্ধিৰ হিচাপত প্ৰথম তিনিটা দেশ আছে, তাৰ মাজত এটা হল মিডলইষ্টৰ জমাত। দ্বিতীয়তে ভাৰত,

যত শতকৰা হিচাপে হিচাপ বৃদ্ধি পাইছে। ইয়াৰ পিছত কানাডা আকৌ জাৰ্মানী, বৃটেইন, ঘানা পাকিস্থান, ইণ্ডোনেছিয়া, আমেৰিকা, অষ্ট্ৰেলিয়া আদি দেশ আছে।

যোৱা কেইবছৰ ধৰি মই কৈ আহিছো যে অংশগ্ৰহন কৰাৰ সংখ্যা বঢ়াওক আৰু এই উদ্দেশ্যই টকাতকৈ বেছি জমাতৰ সদস্য বঢ়োৱাৰ টাৰ্গেট দিয়া হৈছে। আল্লাহৰ কৃপাত এতিয়ালৈকে এই বছৰ অংশগ্ৰহন কাৰীৰ সংখ্যা ওঠৰ লাখ সাতাইছ হাজাৰৰ ওপৰত হৈছে। ইয়াৰে এক লাখ বাৰ হাজাৰ লোক নতুন অংশ গ্ৰহন কৰিছে আৰু চান্দাৰ নিজামও চামিল হৈছে। অংশগ্ৰহন কাৰীৰ ক্ষেত্ৰত যোৱা বছৰৰ তুলনাত বৃদ্ধি পোৱা উল্লেখনীয় ডাঙৰ জমাতৰ মাজত আছে বাংলাদেশ, কানাডা, মালয়এছিয়া, ভাৰত, ইণ্ডোনেছিয়া, আমেৰিকা, অষ্ট্ৰেলিয়া, বৃটেইন।

কাৰ্যালয়ৰ ৰেকৰ্ড অনুযায়ী পাচঁ হাজাৰ নশ সাতাইছ জন আছে প্ৰথম বহীত। ছত্ৰিশজন সদস্য এতিয়াও জীয়াই আছে, তেওঁলোকে নিজে নিজে চান্দা আদায় দি আছে। ইয়াৰে বাকী মৃত্যুপ্ৰাপ্ত সকলৰ চান্দা আত্মীয় সকলে জাৰি ৰাখিছে।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে ভাৰতবৰ্ষৰ চান্দা আদায় দিয়াৰ ক্ৰমিক নম্বৰত দহখন জমাত এনেদৰে আছে - প্ৰথম কেৰেলাই, কাদিয়ান, পাথপ্ৰেম, হায়দৰাবাদ, কায়েম্বোৰ, পাঙগাৰি, বেংলোৰ কালিকট, কলিকতা, ইয়াদগিৰ আদি। ইয়াৰ পিছত দহখন ৰাজ্য আছে এনেদৰে - প্ৰথম কেৰেলা, দ্বিতীয় কৰ্ণাটিক, তৃতীয় তামিলনাডু ক্ৰমান্বয়ে আছে তেলেঙ্গেনা, জম্মু, কাশ্মিৰ, উড়িস্যা, পঞ্জাৱ, পশ্চিমবংগ দিল্লী আৰু উত্তৰ প্ৰদেশ।কাশ্মীৰৰ অৱস্থা বৰ বেয়া হৈ পৰিছে। ৰাজনৈতিক বাবে আৰু সামাজিক বাবে জৰ্জৰা হৈ পৰা সত্ত্বেও কাশ্মীৰ ডাঙৰ কুৰবানী আগবঢ়াইছে। আল্লাহ্ তায়ালা এই সকল কোৰবানী কাৰীক ধন-মাল প্ৰাণ আদিত অসীম বৰকত দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 8 NOV. 2019**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**